# দিছপুৰ কলেজত আন্তৰ্জাতিক মাতৃভাষা দিৱস পালন

**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ২১ ফেব্ৰুৱাৰী ঃ** দিছপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু জোনাকী কাৰেঙৰ যুটীয়া উদ্যোগত 'আন্তৰ্জাতিক মাতৃভাষা দিৱস'ৰ স'তে সংগতি ৰাখি 'অসমীয়া ভাষাৰ উপভাষা' শীৰ্ষক এক বক্তৃতানুষ্ঠান আজি অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই বন্তি প্ৰজ্বলন কৰি আন্তৰ্জাতিক মাতৃভাষা দিৱস সন্দৰ্ভত বক্তব্য আগবঢ়ায়। অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকে কটন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° দিলীপ ৰাজবংশী। 'অসমীয়া ভাষাৰ উপভাষা' শীৰ্ষক বক্তৃতা আগবঢ়াই ড° ৰাজবংশীয়ে মাতৃভাষাৰ গুৰুত্বৰ লগতে অসমীয়া উপভাষাৰ বিস্তৃত বিৱৰণ তথ্যসহ বৰ্ণনা কৰে। বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানটিৰ আঁত ধৰে ছাত্ৰ চন্দন কলিতাই। বক্তৃতাৰ শেষত উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলে জাতীয় সংগীত পৰিৱেশন কৰে। শেষত ছাত্ৰ ধ্ৰুৱজ্যোতি বৰ্মনে শলাগৰ শৰাই আগবঢ়ায়।

